North Lakhimpur
College (Autonomous)
Khelmati, Lakhimpur
Assam, India, PIN : 787031
নৰ্থ লখিমপুৰ মহাবিদ্যালয় (স্বায়ত্তশাসিত)
খেলমাটি, লখিমপুৰ, অসম, পিন ঃ ৭৮৭০৩১

NLC/Book Fair/2023/**13**

**Date : 05-10-2023**

# নিমন্ত্ৰণী পত্ৰ

শ্ৰদ্ধাস্পদেষু,

নমস্কাৰ গ্ৰহণ কৰিব। আপোনাক জনাবলৈ পাই সুখী হৈছোঁ যে, অহা ইংৰাজী ১৩ অক্টোবৰ, ২০২৩ তাৰিখে দিনৰ ১.৩০ বজাত নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ উদ্যোগত তলত দিয়া স্থানত **পোনা দেৱী সোঁৰৰণী জননী বঁটা** (২০২৩) প্ৰদান অনুষ্ঠানৰ আয়োজন কৰা হৈছে। চলিত বৰ্ষৰ বাবে এই বঁটা লাভ কৰিছে অসমীয়া বিভাগৰপৰা ২০২৩ বৰ্ষত স্নাতক পৰীক্ষাত সৰ্বোচ্চ নম্বৰ লাভ কৰি উত্তীৰ্ণ হোৱা ছাত্ৰী শ্ৰীমতী চিজিল হাজৰিকাৰ মাতৃ লখিমপুৰৰ পানীগাঁৱৰ পূৰ্ণিমা হাজৰিকাই। বঁটাত আছে নগদ ৫,০০০.০০ টকা আৰু মানপত্ৰ। অনুষ্ঠানটিত বঁটাৰ দাতা তথা অসমীয়া বিভাগৰ প্ৰাক্তন ছাত্ৰী ধনদা দেৱীও উপস্থিত থাকিব। উল্লেখযোগ্য যে শ্ৰীযুতা ধনদা দেৱীৰ সৌজন্যত এই বঁটা ২০২০ চনৰপৰা প্ৰদান কৰি অহা হৈছে। উক্ত অনুষ্ঠানলৈ আপোনাক সাদৰ নিমন্ত্ৰণ জনালোঁ। ইতি।

**(ড° বিমান চন্দ্ৰ চেতিয়া)**
অধ্যক্ষ
নৰ্থ লখিমপুৰ কলেজ
(স্বায়ত্তশাসিত)

**(ড° অৰবিন্দ ৰাজখোৱা)**
মুৰব্বী, অসমীয়া বিভাগ
নৰ্থ লখিমপুৰ কলেজ
(স্বায়ত্তশাসিত)

**(ড° ধনৰঞ্জন কলিতা)**
সহযোগী অধ্যাপক *তথা*
সমন্বয়ক, **পোনা দেৱী সোঁৰৰণী জননী বঁটা**
(ফোন ঃ ৮৬৩৮৯-১৬৬৫৪)

---

**বঁটা প্ৰদান অনুষ্ঠানৰ স্থান ঃ**
ষষ্ঠ নৰ্থ লখিমপুৰ কলেজ গ্ৰন্থমেলাৰ বাকৰি
নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)
**তাৰিখ ঃ ১৩ অক্টোবৰ, ২০২৩**
**সময় ঃ দিনৰ ১.৩০ বজাত**

**কাৰ্যসূচী ঃ ১.** সভাপতি আৰু অতিথিসকলৰ আসন গ্ৰহণ, **২.** অধ্যক্ষৰ আদৰণি সূচক বক্তব্য, **৩.** বঁটাৰ দাতা ধনদা দেৱীৰ বক্তব্য, **৪.** বঁটা প্ৰদান, **৫.** বঁটা প্ৰাপক পূৰ্ণিমা হাজৰিকাৰ একাষাৰ, **৬.** সভাপতিৰ মন্তব্য আৰু সভা ভংগ